# REGIONAL NEWS UNIT
## AKASHVANI :: GUWAHATI
0000000000

**Date : 21-02-2025**
**Time :** 21-25 Hrs

# Assamese Night Bulletin
**::::::::::::::::::::::::::::::::::**

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি ৰাজভৱনত অনুষ্ঠিত এখন বৈঠকত ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্য্যক ৰাজ্যৰ উচ্চ শিক্ষা বিভাগৰ বৰ্তমানৰ প্ৰকল্প, নীতি আৰু ভৱিষ্যতৰ কাৰ্যপন্থা সন্দৰ্ভত অৱগত কৰে।

ৰাজ্যপাল শ্ৰীআচাৰ্য্যই উচ্চ শিক্ষা বিভাগৰ কাৰ্যকলাপ আৰু ভৱিষ্যতৰ কাৰ্যপন্থা সন্দৰ্ভত সন্তুষ্টি প্ৰকাশ কৰে। ৰাজ্যপালগৰাকীয়ে ৰাজ্যখনক উচ্চ শিক্ষাৰ কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত বিভাগটোৰ পৰিবেশতন্ত্ৰক শক্তিশালী কৰাৰ লগতে সমাজখনক উৎকৰ্ষতাৰ দিশত আগুৱাই নিবলৈ শিক্ষাৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ বিষয়ে প্ৰকাশ কৰে। তেওঁ লগতে কয়, যে ৰাজ্যখনৰ উন্নয়নৰ গতি ত্বৰান্বিত কৰাত  উচ্চ শিক্ষাৰ উন্নয়নে ৰাজ্যৰ মানৱ সম্পদ সৃষ্টিত অনুঘটকৰ কাম কৰিব। ৰাজ্যপাল শ্ৰীআচাৰ্য্যই কয়, যে ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ ভাৰত চৰকাৰৰ এক যুগান্তকাৰী পদক্ষেপ। এই শিক্ষানীতিয়ে  দেশৰ শৈক্ষিক পৰিবেশত বৈপ্লৱিক পৰিৱৰ্তন আনিব। সেয়েহে তেওঁ ৰাজ্যৰ উচ্চ শিক্ষা বিভাগক এই নীতি আখৰে আখৰে কাৰ্যকৰী কৰিবলৈ আহ্বান জনায়। ৰাজ্যপাল শ্ৰীআচাৰ্য্যই উচ্চ শিক্ষা বিভাগক ৰাজ্যৰ শিক্ষাখণ্ডক অধিক উচ্চতালৈ আগুৱাই নিয়াৰ অৰ্থে চিন্তাধাৰাৰ কৌশল আৰু উদ্ভাৱনী সমাধানৰ প্ৰৱৰ্তন কৰিবলৈ আহ্বান জনায়। আজিৰ এই বৈঠকত ৰাজভৱনৰ উপদেষ্টা ড° হৰবংশ দীক্ষিত, উচ্চ শিক্ষা বিভাগৰ উপদেষ্টা অধ্যাপক দেৱব্ৰত দাস, আয়ুক্ত আৰু ৰাজ্যপালৰ সচিব এছ্. এছ্. মিনাক্ষী সুন্দৰম, উচ্চ শিক্ষা বিভাগৰ সচিব নাৰায়ণ কোঁৱৰ আৰু অন্যান্য শিক্ষা বিভাগৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত আছিল।

০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি আন্তঃৰাষ্ট্ৰীয় মাতৃভাষা দিৱস পালন কৰা হয়। ভাষিক-সাংস্কৃতিক বৈচিত্ৰ্য আৰু বহুভাষাবাদৰ বিষয়ে সজাগতা সৃষ্টিৰ উদ্দেশ্যে প্ৰতি বছৰে এই দিৱস পালন কৰি অহা হৈছে।

আন্তৰাষ্ট্ৰীয় মাতৃভাষা দিৱস উপলক্ষে তেজপুৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগ আৰু আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সহযোগত আজি এটা বক্তৃতা অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানত অৱসৰপ্ৰাপ্ত মুৰববী অধ্যাপক ড০ সুৰেশ কুমাৰ আৰ্য মুখ্য বক্তাৰূপে উপস্থিত থাকি সাম্প্ৰতিক সময়ত অসমীয়া ভাষাৰ গুৰুত্বৰ বিষয়ে বক্তৃতা আগবঢ়ায়।

নগাঁও জিলা সাহিত্য সভাৰ উদ্যোগত আজি নৱৰূপ জাতীয় বিদ্যাপীঠৰ প্ৰেক্ষাগৃহত আয়োজিত আন্তঃৰাষ্ট্ৰীয় মাতৃভাষা দিৱসত  বিদ্যালয়খনৰ শিক্ষাৰ্থীসকলে **চিৰ চেনেহী মোৰ ভাষা জননী** শীৰ্ষক গীতটি পৰিৱেশন কৰে। সভাত নগাঁও মহাবিদ্যায়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড০ শৰৎ বৰকটকীয়ে তেওঁৰ ভাষণত কয়, যে অধিক চৰ্চা আৰু কথিত ৰূপেহে ভাষাটোক অধিকৰ সমৃদ্ধিশালী কৰিব পাৰে।

গোৱালপাৰা জিলাৰ ভালুকদুবীৰ নৱজ্যোতি আদৰ্শ জাতীয় বিদ্যালয়ত আজি নতুন সাহিত্য পৰিষদ গোৱালপাৰা জিলা সমিতিৰ উদ্যোগত আন্তঃৰাষ্ট্ৰীয় মাতৃভাষা দিৱস পালন কৰা হয়। এই উপলক্ষে **আন্তঃৰাষ্ট্ৰীয় মাতৃভাষা দিৱসৰ তাৎপৰ্য আৰু জনগোষ্ঠীয় ভাষাৰ সংকট** শীৰ্ষক এখনি আলোচনা চক্ৰৰ আয়োজন কৰা হয়।

গুৱাহাটীৰ ৰাধা গোবিন্দ বৰুৱা মহাবিদ্যালয়ৰ অসমীয়া আৰু বাংলা বিভাগৰ উদ্যোগত আয়োজন কৰা এই দিৱসৰ কাৰ্যসূচী আজি মহাবিদ্যালয়খনৰ অধ্যক্ষ ড০ প্ৰাণজিৎ কুমাৰ নাথে উদ্বোধন কৰে। এই কাৰ্যসূচীত অসমীয়া ভাষাৰ মাধুৰ্য্য আৰু জাতীয় জীৱনৰ পৰম্পৰাত ভাষাৰ ঐতিহাসিক গুৰুত্ব সন্দৰ্ভত আলোকপাত কৰা হয়। শ্ৰীভূমিৰ পি এম শ্ৰী কেন্দ্ৰীয় বিদ্যালয়তো এই দিৱস উপলক্ষে আজি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হয়।

০০০০

কাচাৰ জিলাৰ লখিপুৰ ব্লকৰ শ্ৰীবৰ গাওঁ পঞ্চায়ত কাৰ্যালয়ত আজি এখন বিশেষ আইন সজাগতা শিবিৰ অনুষ্ঠিত হয়। নাৰী সুৰক্ষাৰ লক্ষ্যৰে আয়োজিত এই কাৰ্যসূচী বেটি বচাও বেটী পঢ়াও পৰিকল্পনাৰ দশম বৰ্ষপূৰ্তি উদ্‌যাপনৰ অংশ হিচাপে এই শিবিৰ অনুষ্ঠিত হয়। এই অনুষ্ঠানত ভাৰতীয় ন্যায় সংহিতাৰ অধীনত নাৰীসকলৰ অধিকাৰ আৰু সুৰক্ষাৰ বিষয়ে গুৰুত্বপূৰ্ণ আলোচনা কৰা হয়। জিলাখনৰ আইনী সেৱা প্ৰাধিকৰণ আৰু অসম ৰাজ্যিক গ্ৰামীন জীৱিকা অভিযানৰ যৌথ উদ্যোগত **সংকল্প ঃ ডিষ্ট্ৰিক হাব ফৰ এম্পাৱাৰমেণ্ট অফ অ'মেন** শীৰ্ষক এই সচেতনতা শিবিৰত জিলা আইনী সেৱা প্ৰাধিকৰণৰ সম্পাদক চালমা চুলতানাই নাৰীসকলৰ অধিকাৰ সন্দৰ্ভত বিভিন্ন আইনীধাৰাৰ বিষয়ে বাখ্যা আগবঢ়ায়।

০০০০

ভাৰত চৰকাৰৰ পৰ্যটন মন্ত্ৰালয়, অসম পৰ্যটন বিভাগ আৰু চৰাইদেউ জিলা প্ৰশাসনৰ সহযোগত চৰাইদেউ মৈদাম ক্ষেত্ৰত পৰহিলৈ **চৰাইদেউ মৈদাম হেৰিটেজ ৰান ছাফাৰী** শীৰ্ষক মাৰাথন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। পৰ্যটন ক্ষেত্ৰসমূহৰ প্ৰচাৰ তথা মাদকদ্ৰব্যৰ বিৰুদ্ধে সজাগতা সৃষ্টিৰ উদ্দেশ্যে আয়োজন কৰা এই প্ৰতিযোগিতা ২১ কিলোমিটাৰ, ১০ কিলোমিটাৰ আৰু ৫ কিলোমিটাৰ শাখাত অনুষ্ঠিত হ'ব। আগ্ৰহী প্ৰতিযোগীসকলে ৭৯৮০৯ ২৭৩২৯ নম্বৰত ফোন কৰি এই প্ৰতিযোগিতাত যোগদানৰ সবিশেষ জানিব পাৰিব।

০০০০

আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ আজি গ্ৰুপ বিৰ এখন খেলত দক্ষিণ আফ্ৰিকাই-আফগানিস্তানক জয়ৰ বাবে ৩১৬ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। পাকিস্তানৰ কৰাচীৰ নেচনেল ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত দক্ষিণ আফ্ৰিকাই টছত জিকি প্ৰথমে বেটিং কৰি নিৰ্ধাৰিত ৫০ অভাৰত ৬ টা উইকেটৰ বিনিময়ত ৩১৫ ৰাণ সংগ্ৰহ কৰে।

আমাৰ এই বাতৰি যুগুতোৱাৰ পৰলৈকে আফগানিস্তানে ৩৭ অভাৰত ৭ টা উইকেট হেৰুৱাই ১৬৮ ৰাণ সংগ্ৰহ কৰি খেলি আছে।

০০০০

মাধ্যমিক শিক্ষা বিভাগৰ অৱসৰপ্ৰাপ্ত অতিৰিক্ত সঞ্চালক তথা মহানগৰীৰ হাতীগাওঁৰ শংকৰ পথৰ বাসিন্দা গোবিন্দ কুমাৰ তালুকদাৰৰ আজি পুৱা মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮৬ বছৰ।

০০০০

সমাপ্ত